শিৱসাগৰত প্ৰচণ্ড শিল-বৰষুণ

ঘৰৰ টিন ফুটি বহু পৰিয়ালৰ ক্ষতি - খেতি পথাৰৰ অনিষ্ট

প্ৰতিদিন বিশেষ সেৱা, শিৱসাগৰ, ৭ জানুৱাৰী ঃ শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত আজি নিশা ৮.৩০ বজাত অহা প্ৰচণ্ড শিল-বৰষুণে বিস্তৰ ক্ষতি কৰে। শিৱসাগৰ চহৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ নিলগৰ বিভিন্ন গাঁৱত প্ৰচণ্ড শিল-বৰষুণে ভালেকেইগৰাকী লোকৰ বাসগৃহৰ বিস্তৰ ক্ষতি কৰে। প্ৰায় পঞ্চাশ মিনিট সময় ধৰি ■ ৮ পৃষ্ঠাত

ৰঙিয়াৰ জাঁজীকোণা সংযুক্ত বড়ো গণ মঞ্চৰ অধিৱেশন

প্ৰতিদিন বিশেষ সেৱা, ৰঙিয়া, ৭ জানুৱাৰী ঃ সংযুক্ত বড়ো গণমঞ্চ, চমুকৈ ইউ বি পি অ'ৰ একাদশ বাৰ্ষিক অধিৱেশনখন আজিৰে পৰা ৰঙিয়াৰ ওচৰৰ জাঁজীকোণাৰ মাইনাও পথাৰত অনুষ্ঠিত হৈছে। মূলতঃ বি টি আৰৰ বাহিৰত বসবাস কৰা বড়ো জনসাধাৰণৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্যে গঠন হোৱা সংযুক্ত বড়ো গণমঞ্চৰ একাদশ বাৰ্ষিক অধিৱেশনৰ ■ ৮ পৃষ্ঠাত

গুণোৎসৱৰ মাজতে বিদ্যালয় শিক্ষা বিভাগৰ নিৰ্দেশনা ঃ শিক্ষক নথকা বিদ্যালয়ত দিয়ক শিক্ষক নিযুক্তি

এজনীয়া শিক্ষকৰ স্কুলত শিক্ষক মকৰলৰ নিৰ্দেশ

প্ৰতিদিন সংবাদ, গুৱাহাটী, ৭ জানুৱাৰী ঃ শিক্ষকবিহীন আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ত তাৎক্ষণিকভাৱে শিক্ষক মকৰলৰ নিৰ্দেশ জাৰি কৰিছে বিদ্যালয় শিক্ষা বিভাগে। গুণোৎসৱৰ মাজতে কালি এক নিৰ্দেশনাযোগে বিদ্যালয় শিক্ষা বিভাগে শিক্ষক মকৰলৰ কৰ্তৃত্ব প্ৰদান কৰে জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শকক। জিলা আয়ুক্তৰ অনুমতিমৰ্মে তেওঁলোকে শিক্ষকবিহীন বিদ্যালয় আৰু এজন শিক্ষক থকা বিদ্যালয়ত শিক্ষাৰ অভাৱ পূৰণ কৰিব। অসম প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় শিক্ষক (নিযুক্তি আৰু বদলি অধিনিয়ম) বিধি, ২০২২ৰ অধীনত বিদ্যালয় শিক্ষা বিভাগে এই নিৰ্দেশনা জাৰি কৰিছে। বিদ্যালয়ৰ কাম-কাজ সুচল আৰু নিয়মীয়া কৰাৰ স্বাৰ্থত তাৎক্ষণিকভাৱে ব্যৱস্থা ল'ব লাগিব জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয়সমূহৰ ■ ৮ পৃষ্ঠাত

জিলা আয়ুক্তৰ অনুমোদন লৈ জিলা প্ৰাথমিক শিক্ষা বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শকে নিযুক্তি দিব শিক্ষক

আৰক্ষী-প্ৰশাসনৰ নিৰ্লিপ্ততা ঃ গ্ৰাম্য পথতো ট্ৰাক-ডাম্পাৰৰ দৌৰাত্ম্য

ছিপাঝাৰত মালবাহী ট্ৰাকে প্ৰাণ কাঢ়িলে কণমানি ছাত্ৰীৰ

পঢ়া মেজ আনিবলৈ পিতৃৰ সৈতে গৈছিল ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত মাকুমণি

চালকক উত্তম-মধ্যম
আৰক্ষীক প্ৰশ্নৰে থকা-সৰকা ক্ষুব্ধ ৰাইজৰ

প্ৰতিদিন সেৱা, ছিপাঝাৰ, ৭ জানুৱাৰী ঃ ছিপাঝাৰৰ গোৰালঝাৰত ভুক্তাবাৰী-সোণাপুৰ গ্ৰাম্য গড়কাপ্তানি পথত আজি ১৪ চকীয়া তীব্ৰবেগী মালবাহী ট্ৰাক এখনে ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত এগৰাকী কণমানি ছাত্ৰীক মহটিয়াই নিয়াৰ ফলত ছাত্ৰীগৰাকীৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাটোত মৃত্যুক আঁকোৱালি লোৱা কণমানিগৰাকী ছিপাঝাৰৰ মেটাপাৰা ■ ৮ পৃষ্ঠাত

শিক্ষক সাহিত্যিক শৰ্মাৰাম দাসৰ পৰলোকপ্ৰাপ্তি

অভয়াপুৰীৰ দল-সংগঠনৰ শোক

প্ৰতিদিন সংবাদ-সেৱা, বঙাইগাঁও-সৃজনগ্ৰাম, ৭ জানুৱাৰী ঃ বঙাইগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰী শিক্ষক, সাহিত্যিক, অভিনেতা, সমাজসেৱক, সংগ্ৰামী সত্তাৰ অধিকাৰী, বঙাইগাঁও জিলাৰ অভয়াপুৰী চহৰৰ ৩নং ৱাৰ্ডৰ গীতা নগৰৰ ■ ৮ পৃষ্ঠাত

তেলৰ টেংকাৰত ভৰাই বহিঃৰাজ্যলৈ সৰবৰাহ

বিহালীৰ কুঁহিয়াৰবাৰীত ১৫ লক্ষাধিক টকা মূল্যৰ অবৈধ অৰুণাচলী সুৰা জব্দ

প্ৰতিদিন সেৱা, জিনজিয়া, ৭ জানুৱাৰী ঃ বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালীৰ কুঁহিয়াৰবাৰীত আজি জিনজিয়া আৰক্ষী আৰু বিশ্বনাথ আৰক্ষীৰ যুটীয়া অভিযানত বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰা হয়। বিশ্বনাথ জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অমিত কুমাৰ হোজাইৰ নেতৃত্বত জিনজিয়া আৰক্ষীয়ে জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত কুঁহিয়াৰবাৰীত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই অবৈধ ■ ৮ পৃষ্ঠাত

প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীলৈ আছুৰ পত্ৰ

অসমীয়া ভাষাৰ বিকৃতকৰণ বন্ধৰ দাবী

ধ্ৰুপদী ভাষাৰ মৰ্যাদা অটুট ৰাখক

■ টেলিকম কোম্পানীসমূহে অসমীয়া ভাষাৰ মৰ্যাদা হানি কৰাত ক্ষোভ

প্ৰতিদিন সংবাদ, গুৱাহাটী, ৭ জানুৱাৰী ঃ যোৱাটো বৰ্ষত অসমৰ জনসাধাৰণৰ বাবে আটাইতকৈ সুখৰ বতৰাবোৰৰ অন্যতম আছিল অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাটো। ভাৰত চৰকাৰে প্ৰদান কৰা এই স্বীকৃতিয়ে জাতিটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ সমান্তৰালভাৱে ভাষাটোৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে আমাক আটাইকে অধিক সচেতন আৰু দায়িত্বশীল কৰি তুলিসে। তেনে প্ৰেক্ষাপটতে শেহতীয়াকৈ 'চাইশাৰ ছিকিউৰিটি'ৰ সজাগতাৰ নামত টেলিকম কোম্পানীসমূহে ভাষাটোৰ ■ ৮ পৃষ্ঠাত

ছোনালিকা: অসম্ভৱ ভাৰতীয় সফলতাৰ কাহিনী

শ্ৰী এল ডি মিত্তল
অধ্যক্ষ, ছোনালিকা গোট

ভাৰত সেই সকল স্বপ্নদ্ৰষ্টা মানুহক লৈ ধন্য যিসকলে অমলিন চিন ৰাখিব পাৰিছে আৰু সফলতাৰ উচ্চতা স্পৰ্শ কৰিছে। অকপট কথোপকথনত স্বপ্নদ্ৰষ্টা তথা ট্ৰেক্টৰৰ জগতৰ বিশাল ব্যক্তিত্ব ছোনালিকা ট্ৰেক্টৰ্ছৰ চেয়াৰমেন শ্ৰী এল ডি মিত্তল জনালে যে কৃষক সমাজৰ সবলীকৰণৰ বাবে তেওঁৰ দেখা সপোন কেনেকৈ ভাৰতৰ এই অবিশ্বাস্য সফলতাৰ কাহিনীৰ আধাৰশিলা হৈ উঠিছে।

প্ৰশ্ন. ছোনালিকাৰ উন্নতিৰ কাহিনী অবিশ্বাস্য হয়। ইয়াৰ আঁৰৰ সফলতাৰ মন্ত্ৰটো কি?

ছোনালিকাৰ জন্ম পঞ্জাবৰ সৰু এখন চহৰ হ'চিয়াৰপুৰত। তাত কোনো উদ্যোগ নাছিল। সেই ছোনালিকা এতিয়া 2024-ত ফৰচুনৰ সেই তালিকাত স্থান লাভ কৰিছে যিখন তালিকাত ভাৰতৰ 500খন বৃহত্তম কোম্পানীৰ নাম আছে। আমাৰ কোম্পানীৰ সামগ্ৰিক টাৰ্ণঅ'ভাৰ হ'ল আনুমানিক 110 কোটি ডলাৰ। এয়া কল্পনাৰ বাহিৰত, তথাপি সঁচা। আমি যে ইয়ালৈ আহি পাইছোঁ সেয়া হ'ল এই দৃঢ় বিশ্বাস যে আমি নিজৰ কৃষকসকলোলৈ বিশ্ব মানৰ প্ৰযুক্তি আগবঢ়াব পাৰোঁ এই বাবে যে তেওঁলোকে যেন কাম-কাজৰ মাত্ৰা নিৰ্বিশেষে কৃষি উৎপাদনক বৃদ্ধি কৰিব পাৰে। প্ৰতিষ্ঠাপিত হোৱাৰ দিনৰপৰা **ছোনালিকা 3টা দৰ্শনৰ ভিত্তিত গঢ়ি উঠিছে- আমাৰ গ্ৰাহকসকলোলৈ সৰ্বোত্তম পণ্য আৰু সেৱা আগবঢ়োৱা, ষ্টেকহ'ল্ডাৰসকলৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া আৰু এনেকৈ ব্যৱসায় কৰা যেন নৈতিকতাৰ সৰ্বোত্তম মানদণ্ডৰ অক্ষুন্ন ৰাখিব পৰা যায়, লগতে উৎকৰ্ষ সাধনৰ বাবে যেন কোনো চৰ্টকাট লোৱা নহয়।**

আৰম্ভণিৰ দিনবোৰত যেতিয়া আমি থ্ৰেছাৰ উৎপাদন কৰিবলৈ আৰম্ভ কৰিছিলোঁ তেতিয়া আমাৰ স্পষ্ট ধাৰণা আছিল যে আমি সৰ্বোত্তম পণ্য আগবঢ়াব লাগিব, এই ক্ষেত্ৰত খৰচ সম্বন্ধীয় বিচাৰ-বিবেচনাক গৌণ ৰখা হৈছিল। এই পন্থা অৱলম্বন কৰাৰ ফলত আমি কৃষকসকলৰ আস্থা অৰ্জন কৰিব পাৰিছিলোঁ লগতে তেওঁলোকৰ প্ৰয়োজনসমূহক ততালিকে বুজি পাবলৈ সক্ষম হৈছিলোঁ। আমি তেওঁলোকৰপৰা প্ৰতিক্ৰিয়া লাভ কৰি অভিভূত হৈ পৰিছিলোঁ আৰু তেওঁলোকে আমাক উৎকৃষ্ট মানৰ ট্ৰেক্টৰো নিৰ্মাণ কৰাৰ বাবে অনুৰোধ জনাইছিল। সেই বাবেই আমি 1995 চনত ট্ৰেক্টৰৰ ব্যৱসায়ত প্ৰৱেশ কৰিবলৈ উৎসাহ পাইছিলোঁ। তাৰ পাছৰপৰা আমি আৰু পিছলৈ চাবলগীয়া হোৱা নাই। ছোনালিকাই সমগ্ৰ দেশত তথা বিশ্বত লাখ-লাখ কৃষকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে গ্ৰাহক-কেন্দ্ৰিক এই দৃষ্টিভংগীৰ বাবে যে আমি উচ্চ মানৰ ট্ৰেক্টৰ আগবঢ়াম লগতে ছাৰ্ভিচ আৰু স্পেয়াৰৰ ক্ষেত্ৰত বিশ্বস্ত সহায়তাও আগবঢ়াম।

আমি এই দৃষ্টিভংগীক অধিক মজবুত কৰি তুলিছোঁ ব্যৱসায়ত আমাৰ নিজৰ আত্ম-শৃংখলা আৰোপ কৰাৰ জৰিয়তে লগতে আমাৰ নিজৰ সমলসমূহক

US $1.1 বিলিয়ন ডলাৰৰ টাৰ্ণঅভাৰ
ঋণ মুক্ত দৃষ্টিভংগী
3 নীতি-শ্ৰেষ্ঠ সামগ্ৰী আৰু সেৱা, অংশীদাৰসকলৰ প্ৰতি অগ্ৰাধিকাৰ আৰু কোনো চৰ্টকাট নোহোৱাকৈ নৈতিক দৃষ্টিভংগী

বৃদ্ধি কৰাৰ আত্মবিশ্বাসেৰে। এই যাত্ৰা সহজ নাছিল, প্ৰায়েই আমাৰ অস্তিত্ব প্ৰশ্নৰ মুখত পৰিছিল। অৱশ্যে, প্ৰতি বাৰেই আমি নিজৰ এই নীতিত অবিচল থাকি অধিক শক্তিশালী হৈ উঠিছিলোঁ যে, আমি **সদায় ঋণ-মুক্ত হৈ থাকিম**। ইয়াৰ সহায়ত আমি বেলেগকৈ চিন্তা কৰি পাৰিছিলোঁ লগতে কাম-কাজবোৰো বেলেগকৈ কৰিব পাৰিছিলোঁ। এইবোৰ কাৰণতে আমি আত্ম-নিৰ্ভৰশীল হৈ উঠিব পাৰিছিলোঁ। আমি যেতিয়া আৰম্ভ কৰিছিলোঁ, তেতিয়া আমাৰ কোনো মেনুফেকচাৰিং প্লেণ্ট আৰু আৰএণ্ডডি নাছিল। কিন্তু আমি এই দৃঢ় বিশ্বাস আছিল যে **আমি যি কৰি আছোঁ সেয়া ঠিকেই কৰি আছোঁ।** কিয়নো মই এটা কথা বিশ্বাস কৰোঁ যে, কোনোছি কৰনে ৱালোঁ কি কভী হাৰ নহী হোতি। এই দৃষ্টিভংগী আছিল বাবে যে আমি নিজাববীয়া কৃষি প্ৰযুক্তিৰ ডিজাইন তৈয়াৰ কৰা আৰু সেই প্ৰযুক্তিক বাস্তৱত ৰূপ দিয়াৰ উপৰত গুৰুত্ব দিব পাৰিছোঁ। আমাৰ লক্ষ্য আছিল, প্ৰত্যেক শিতানৰ গ্ৰাহকৰ বাবে বিভিন্ন ধৰণৰ সমাধান আগবঢ়োৱা।

আমাৰ গ্ৰাহকসকলৰ সফলতাৰ বাবে যে এই কোম্পানী নিজৰ যাত্ৰাপথত এতিয়ালৈ অগণন মাইলৰ খুটা স্থাপন কৰিছে, সেইবোৰ কেৱল কথাৰে প্ৰকাশ কৰিব পৰা নাযাব। আমাৰ এয়া গৰ্ব যে আমি হ'লোঁ ভাৰতৰপৰা ৰপ্তানী হোৱা 1 নম্বৰ ট্ৰেক্টৰ ব্ৰেণ্ড, আৰু এই কাম বাহিৰা ৰেণ্ডৰ বাবে ঠিকা ভিত্তিক উৎপাদক হিচাপে কৰাৰ সলনি গৌৰৱশালী এটা ভাৰতীয় নামত কৰি থকা হৈছে।

ৰপ্তানীৰ বজাৰত দ্বিতীয় স্থানত থকা আমাৰ যি প্ৰতিযোগী আছে তেওঁলোকৰ তুলনাত আমাৰ সেই বজাৰত অংশ প্ৰায় দুই গুণ। আমাৰ উপস্থিতি 150-তো অধিক দেশত আছে। ট্ৰেক্টৰৰ ক্ষেত্ৰত বিশ্বৰ বৃহত্তম বজাৰ ভাৰতত আমি হ'লোঁ তৃতীয় বৃহত্তম ট্ৰেক্টৰ ব্ৰেণ্ড যি কৃষিক্ষেত্ৰত প্ৰত্যেক দিশত উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস চলাই থাকে আৰু অবিৰত ভাবে ঔদ্যোগিক বৃদ্ধিক অতিক্ৰম কৰি আছে, এয়াই হ'ল সেই আস্থাৰ প্ৰকাশ যি আমাৰ গ্ৰাহকসকলে আমাৰ প্ৰতি দেখুৱাইছে।

প্ৰশ্ন. গ্ৰাহকসকলোলৈ সৰ্বোত্তম সমাধান আগবঢ়োৱা আৰু আপোনালোকৰ নিজৰ দৰ্শনৰ প্ৰতি সৎ থকা, এই উভয় দিশক কেনেকৈ নিশ্চিত কৰে?

প্ৰথমতে আমি এমাহত 100খন ট্ৰেক্টৰ তৈয়াৰ কৰিছোঁ আৰু আজি এমাহত প্ৰায় আমি 15,000 ট্ৰেক্টৰ তৈয়াৰ কৰোঁ। আমাৰ ব্যৱসায়ৰ মাত্ৰা যিয়ে নাযাকক কিয়, আমি সদায় সকলো কামক সৰ্বোত্তম ভাৱে কৰাৰ বিশ্বাসক অনৱৰত সুদৃঢ় কৰি আহিছোঁ। আমি সদায় নিজৰ গ্ৰাহকসকলৰ সমীপত থাকোঁ আৰু এয়া নিশ্চিত কৰোঁ যে, আমি যেন তেওঁলোকৰ ক্ৰমবৰ্ধমান প্ৰয়োজনসমূহক উপলব্ধি কৰিব পাৰোঁ আৰু সেই প্ৰয়োজনসমূহক পূৰণ কৰাৰ বাবে আমাৰ পণ্যসমূহক উন্নত কৰিব পাৰোঁ।

আৰম্ভণিত কেইবছৰমান আমি যেতিয়া আমাৰ যোগান ধৰোঁতাসকলোলৈ এই অনুৰোধ নাইছোঁ যে ইঞ্জিন আৰু অন্যান্য সামগ্ৰীত ফিটিং সাল-সলনি কৰিব লাগে, তেতিয়া তেওঁলোকে আমাৰ অনুৰোধক আওকাণ কৰি চলিছিলে, কিয়নো আমি সেইবোৰ কম মাত্ৰাত লৈ থাকিছিলোঁ। তেতিয়া আমি ঠিক কৰিলোঁ যে, আমি নিজেই সমৰ্থ হৈ উঠিব লাগিব যেন আমি নিজৰ কাৰখানাতেই ট্ৰেক্টৰৰ যন্ত্ৰাংশ তৈয়াৰ কৰিব পাৰোঁ। সেয়া ইঞ্জিন, ট্ৰান্সমিছন, শ্বীট মেটাল, পিয়েৰ বক্স ইত্যাদি যিয়ে হওক কিয়। এয়া কৰা হৈছিল এই কাৰণত যে প্ৰয়োজনীয় পৰিৱৰ্তনসমূহ যেন ততালিকে কৰিব পৰা যায় আৰু আমাৰ গ্ৰাহকসকলৰ প্ৰয়োজনক যেন পূৰণ কৰিব পৰা যায়। অৱশেষত, আমাৰ হেভি-ডিউটি ট্ৰেক্টৰৰ চাহিদা ব্যাপক মাত্ৰাত বৃদ্ধি পাবলৈ ধৰিলে আৰু সেয়া এনেকুৱা উচ্চতাত গৈ পালে যে আমি নিজৰ উৎপাদন ক্ষমতাক সম্প্ৰসাৰণ কৰিম বুলি ঠিক কৰিলোঁ। সেয়াই এতিয়া হ'চিয়াৰপুৰত বিশ্বৰ 1 নম্বৰ সম্পূৰ্ণ সংহত ট্ৰেক্টৰ প্লেণ্ট হৈ উঠিছে। অত্যাধুনিক এই মেনুফেকচাৰিং প্লেণ্টৰপৰা প্ৰতি 2 মিনিটত এখনকৈ ট্ৰেক্টৰ প্ৰস্তুত হৈ ওলাই আহে, ৰ'বটিক অপাৰেচন আৰু অটমেটেড প্ৰডাকচন লাইনত কাম চলি থাকে। এইবোৰ অত্যাধুনিক সুবিধা থকাৰ ফলত একেখন এছেম্বলী লাইনত বিভিন্ন ধৰণৰ ইঞ্জিন আৰু ট্ৰান্সমিছন প্ৰস্তুত কৰিব পৰা যায়। আজিলৈ এই প্লেণ্টৰ সামৰ্থ্য অতুলনীয় হৈ আছে। আজি আমি 2,000-ৰ অধিক মডেল তৈয়াৰ কৰোঁ দেশীয় তথা ৰপ্তানীৰ বজাৰৰ নিৰ্দিষ্ট প্ৰয়োজন পূৰণ কৰাৰ বাবে।

আমি আমাৰ ভেণ্ডৰসকলৰ সৈতে লগ লাগি কাম কৰি আছোঁ, তেওঁলোকে যেন হ'চিয়াৰপুৰত নিজৰ-নিজৰ মেনুফেকচাৰিং বেইছ তৈয়াৰ কৰিব পাৰে তাৰ বাবে তেওঁলোকক সাহায্যও কৰি আছোঁ। ইয়াৰ সহায়ত আমি নিজৰ কাৰখানাৰ চাৰিও ফালে সম্পূৰ্ণ এটা ব্যৱসায়িক বাস্তুতন্ত্ৰ গঢ়ি তুলিবলৈ সক্ষম হৈছোঁ। আমাৰ কাৰিকৰী দক্ষতাক অধিক বৃদ্ধি কৰাৰ কাৰণে আৰু গ্ৰাহকসকলক সৰ্বোত্তম সমাধান আগবঢ়োৱাৰ কাৰণে, **আমি ৰেন'ল্ট এণ্ড ইয়ানমাৰ-ৰ দৰে আন্তঃৰাষ্ট্ৰীয় কোম্পানীৰ সৈতে যুক্ত হৈছোঁ।**

কৃষক সমাজৰ মুখত আনন্দৰ হাঁহি দেখা পালে মোৰ বহুত ভাল লাগে আৰু এয়াই মোক এনেকুৱা সকলো কাম কৰিবলৈ অনুপ্ৰেৰণা দিয়ে যিবোৰ কৰিলে তেওঁলোকৰ জীৱনক সহজ কৰিব পৰা যায় লগতে তেওঁলোকৰ জীৱনক অধিক উন্নতও কৰিব পৰা যায়। আমি সৰ্বাধিক অগ্ৰাধিকাৰ দিওঁ এই দিশটোক যে আমি অনৱৰত এনেকুৱা সৰ্বোত্তম মানৰ পণ্য আৰু সেৱা আগবঢ়াই যাম যি গ্ৰাহকৰ প্ৰত্যাশাকো অতিক্ৰম কৰিব পাৰে। আমি অনৱৰত উদ্ভাৱন কৰাৰ বাবে প্ৰত্যেক কৃষকৰ প্ৰয়োজনক পূৰণ কৰাৰ বাবে দায়বদ্ধ থাকোঁ লগতে গ্ৰাহকসকলে যেন সৰ্বোত্তম সন্তুষ্টি লাভ কৰিব পাৰে তাৰ বাবে আমি নিজৰ কৌশলসমূহক পৰিমাৰ্জন কৰিয়ে থাকোঁ।

প্ৰশ্ন. ছোনালিকা নিজৰ ষ্টেকহ'ল্ডাৰসকলৰ বাবে কি দৰ্শন লৈ চলি থাকে?

ছোনালিকা এয়া বিশ্বাস কৰে যে, আমাৰ লগত যুক্ত হৈ থকা প্ৰত্যেকে 'এখন ডাঙৰ পৰিয়ালৰ সদস্য হয় আৰু প্ৰত্যেকেই গুৰুত্বপূৰ্ণ হয়।' এইখিনিতে কোভিড-19 মহামাৰীৰ কথা ক'বই লাগিব, সেই সময়ত গোটেই বিশ্বতে ঔদ্যোগিক খণ্ডটো পৰীক্ষাৰ মুখত পৰিছিল, ছোনালিকাও ইয়াৰ ব্যতিক্ৰম নহয়। অৱশ্যে, ছোনালিকা সহনশীলতা আৰু নিজৰ অংশীদাৰসকলৰ ওচৰত যত্নশীলতাৰ উজ্জ্বল দৃষ্টান্ত হিচাপে থিয় হ'ব পাৰিছিল। অনিশ্চিত সময়ত আমি নিজৰ কৰ্মীসকলক আগতীয়াকৈ দৰমহা দিয়াৰ দিশটোক অগ্ৰাধিকাৰ দিছিলোঁ আৰু এজন কৰ্মীকো আমি চাকৰীৰপৰা উলিয়াই দিয়া নাই। প্ৰত্যেক যোগান ধৰোঁতাক সঠিক সময়ৰ ভিতৰত আৰু আনকি আগতীয়াকৈ সকলো ধন পৰিশোধ কৰা হৈছিল, কিয়নো তেওঁলোকেও যেন নিজৰ কৰ্মীসকলৰ প্ৰতি যত্নশীল হ'ব পাৰে আৰু নিজৰ ব্যৱসায়িক প্ৰয়োজন পূৰণ কৰিব পাৰে। ছোনালিকা নিজৰ **পৰিয়াল-অভিমুখিন সংস্কৃতিক** লৈ গৰ্বিত, ইয়াৰ সহায়তে আমি ঐক্যবদ্ধ আৰু শক্তিশালী হৈ প্ৰতিকূল সময়বোৰক পাৰ কৰিছোঁ।

আমাৰ সিদ্ধান্ত আৰু কাম-কাজ বাট দেখুৱায় **সততা, সহমৰ্মিতা আৰু দায়বদ্ধতাৰ দৰে মূল নীতিসমূহে।** পাৰম্পৰিক ভাৱে যুক্ত এই নীতিসমূহ আমাৰ ষ্টেকহ'ল্ডাৰসকলৰ বাবে নৈতিক মানদণ্ডক অক্ষুন্ন ৰাখে, আস্থা আৰু বিশ্বাসযোগ্যতাক প্ৰতিপালন কৰে। যি স্বচ্ছতা আৰু অংগীকাৰবদ্ধতাৰ সম্পূৰ্ণ এক সাৰ্বিক পৰিৱেশ গঢ়ি তোলে।

এই দৰ্শন সুদীৰ্ঘ পথ অতিক্ৰম কৰি পাৰদৰ্শিতা ভিত্তিক এনেকুৱা এটা কৰ্ম সংস্কৃতি গঢ়ি তুলিছে য'ত টীমৱৰ্কৰ উপৰত বিশ্বাস ৰখা হয় আৰু ইয়াৰ একমাত্ৰ উদ্দেশ্য হ'ল প্ৰতিদিন উন্নতি কৰা। আমি এনেকুৱা কেইজনমান কৰ্মচাৰীৰ উদাহৰণ দিব পাৰোঁ যিসকলে আমাৰ লগত কাম আৰম্ভ কৰি এতিয়া বিভাগীয় মুৰব্বী হৈ উঠিছে, যিসকল ডীলাৰ আমাৰ সৈতে সৰু ব্যৱসায়ী হিচাপে কাম আৰম্ভ কৰিছিলে, তেওঁলোকে বিজনেছ টাইকুন হৈ গৈছে আৰু বহু যোগান ধৰোঁতা আমাৰ সৈতে কাম কৰি বহুত ডাঙৰ হৈ গৈছে। ছোনালিকা পৰিয়াল আস্থাৰ উপৰত গঢ়ি উঠিছে, সেয়াই আমাৰ ব্যৱসায়ৰ প্ৰতি আনুগত্য আৰু একাগ্ৰতালৈ ৰূপান্তৰিত হৈছে। সংখ্যাৰ **বৃদ্ধি হৈয়ে থাকিব, আমাৰ বাবে গুৰুত্বপূৰ্ণ হ'ল আমাৰ মানুহৰ প্ৰতি আমাৰ বিশ্বাস।** আমি এনেকুৱা এখন পৰিয়াল হিচাপে গৰ্বিত য'ত আছে 8,000-ৰ অধিক কৰ্মী লগতে 20,000-ৰ অধিক ডেণ্ডৰ আৰু ডীলাৰ।

গোটেই পৃথিৱীৰ 17 লাখৰ অধিক কৃষকৰ বিশ্বস্ত সংগী হৈ থকাৰ বাবে ছোনালিকা অংগীকাৰবদ্ধ হয়। এই কোম্পানী কেৱল সৰ্বোত্তম ট্ৰেক্টৰ হে প্ৰস্তুত নকৰে, লগতে এয়া কৃষকসকলৰ সৈতে লেনদেন কৰাৰ সময় স্বচ্ছতাৰ উপৰতো বিশ্বাস কৰে। এয়াই হ'ল একমাত্ৰ কোম্পানী যি নিজৰ ৱেবছাইটত নিজৰ ট্ৰেক্টৰৰ মূল্য উল্লেখ কৰি থয়, আন বহু কোম্পানী সেয়া নকৰে। কৃষকসকলক ঋণ দিয়াৰ বাবে এই কোম্পানী NBFC সেৱাতো প্ৰৱেশ কৰিছে।

প্ৰশ্ন. উচ্চাকাংক্ষী আন্ত্ৰপ্ৰিনিয়ৰসকলোলৈ আমি কি বাৰ্তা দিব খোজে?

'এয় জজবা-এ-দিল অগৰ মেঁ চাহি হৰ চীজ মুশ্কিল হো জায়ে, মঞ্জিল কে লিয়ে দো কদম চলুঁ ঔৰ ছামনে মঞ্জিল আ জায়ে'- মিৰ্জা গালিবৰ এই কথাবোৰ মোক প্ৰতিদিন কঠোৰ পৰিশ্ৰম কৰিবলৈ অনুপ্ৰেৰণা দিয়ে আৰু এয়াও বিশ্বাস কৰিবলৈ শিকায় যে সফল হোৱাৰ কাৰণে পৰিশ্ৰম কৰাৰ বাহিৰে আন কোনো বাট নাই। কেৱল ভাবি থকা আৰু উপস্থাপন কৰাৰ দক্ষতাৰ সলনি **কঠোৰ পৰিশ্ৰম আৰু কাৰ্য ৰূপায়ণৰ** উপৰত গুৰুত্ব দিব লাগিব। বাহিৰৰপৰা স্বীকৃতি বা পুঁজি অহাৰ বাবে অপেক্ষা কৰাৰ সলনি ধৈৰ্য ধৰি কাম কৰি গ'লে হে সফলতা আহিব। নিজেই নিজৰ ভৱিষ্যতৰ দায়িত্ব ল'ব লাগিব।

পৰিশেষত কওঁ, **কৃষকসকলৰ সমৃদ্ধি** কেৱল ট্ৰেক্টৰ উদ্যোগৰ উন্নতিৰ অভিন্ন অংগ নহয়, এয়া সামগ্ৰিক ভাৱে অৰ্থনীতিৰ হে অভিন্ন অংগ হয়। ছোনালিকাৰ সপোন হ'ল কৃষকসকলক সবলীকৰণ আৰু সুস্থায়ী উন্নতি। এই সপোন বাস্তৱ কৰাৰ বাবে ছোনালিকা অংগীকাৰবদ্ধ হৈ আছে। মোৰ যাত্ৰা তেতিয়া হে সফল হোৱা বুলি ভাবিম যেতিয়া 'কিচান কা বেটা কিচান বননা চাহেগা।'